**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি বিৰোধীপক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত আজিও সংসদৰ উভয় সদনৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়।

২। নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ সচিব প্ৰধানক আসন্ন উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ৰিটাৰ্নিং বিষয়া হিচাপে নিযুক্তি দিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত আজি মালদ্বীপৰ ৰাজধানী মালেত উপস্থিত হয়।

৪। ৰাজস্থানৰ ঝালাৱৰ জিলাত এখন চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ চাদ খহি পৰাৰ ফলত ৫ জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ২০ জনৰো অধিক আহত হয়।

***আৰু***

৫। এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী ক্ৰিকেট টেষ্টৰ চতুৰ্থখন খেলত ইংলেণ্ডে কালি প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২২৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

ooooooooo

বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি বিৰোধীপক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত আজিও সংসদৰ উভয় সদনৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত লোকসভাৰ কামকাজৰ আৰম্ভনিতে কাৰ্গিল বিজয় দিৱসৰ ২৬ সংখ্যক বাৰ্ষিকীৰ পূৰ্বে সদনে আদি দেশৰ সাহসী সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই দেশৰ সুৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া সশস্ত্ৰ বাহিনীৰ জোৱানসকলৰ ত্যাগ আৰু সাহসিকতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অতিশয় দুৰ্গম এলেকাত অৱস্থিত কাৰ্গিলৰ পৰা প্ৰতিকূল বতৰৰ মাজতো দৃষ্টান্তমূলক সাহসিকতাৰে শত্ৰুপক্ষক খেদি পঠিওৱাৰ ক্ষেত্ৰত সফলতা প্ৰদৰ্শন কৰা সাহসী সৈনিকসকলক সদনে সন্মান জনায়। এই ঘটনাত প্ৰাণ আহুতি দিয়া দেশৰ সাহসী জোৱানসকলৰ প্ৰতি সন্মান জনাই সদস্যসকলে কিছু সময় মৌনতা অৱলম্বন কৰে।

ইয়াৰ পাছতেই অধ্যক্ষগৰাকীয়ে সদনৰ প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ সাংসদসকল সদনৰ মজিয়ালৈ উঠি আহি বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়ে আলোচনাৰ লগতে ইয়াৰ প্ৰত্যাহাৰৰ দাবীত ধ্বনি দিবলৈ ধৰে। অধ্যক্ষগৰাকীয়ে প্ৰশ্নকালৰ কামকাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনাই শ্ৰী বিৰলাই কয়, যে তেওঁলোকৰ আচৰণ সদনৰ গৰিমাৰ পৰিপন্থী। সদনৰ মজিয়াত প্লেকাৰ্ড প্ৰদৰ্শন কৰা আৰু কামকাজ ব্যাহত কৰাৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰি অধ্যক্ষই কয়, যে বিগত কেইটামান দিনত বিৰোধী পক্ষই পৰিকল্পিতভাৱে সদনৰ কামকাজ ব্যাহত কৰা পৰিলক্ষিত হৈছে। এনে আচৰণ গণতান্ত্ৰিক ব্যৱস্থাৰ অনুকূল নহয় বুলিও তেওঁ মতপ্ৰকাশ কৰে। তৎসত্বেও বিৰোধী পক্ষৰ সদস্যসকলে তেওঁৰ আহ্বানৰ প্ৰতি কোনো গুৰুত্ব আৰোপ নকৰি প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ দুই বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

একেদৰে ৰাজ্য সভাতো আজি অনুৰূপ ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতিৰ আসনত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আৰম্ভ কৰিবলৈ বিচৰাৰ লগে লগে বিৰোধীপক্ষৰ সাংসদসকলে বিভিন্ন দাবী উত্থাপন কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। সদনৰ ভাৰপ্ৰাপ্ত সভাপতিগৰাকীয়ে প্ৰশ্নকাল পৰিচালনাৰ সুচল কৰি তোলাৰ বাবে বাৰম্বাৰ অনুৰোধ জনোৱা সত্বেও তেওঁলোকে বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া

পৰিস্থিতিৰ মাজতে কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে, কৃষকসকলৰ কল্যাণ আৰু সমস্যাসমূহৰ বিষয়ক লৈ প্ৰশ্ন উত্থাপন কৰা হৈছে বুলি উল্লেখ কৰি কয়, যে এনে কাৰণতে প্ৰশ্নকাল সম্পন্ন কৰাটো গুৰুত্বপূৰ্ণ। মন্ত্ৰীগৰাকীয়ে এনে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ বিচাৰে যদিও প্ৰশ্নকালত অংশগ্ৰহণ নকৰা বুলি তেওঁ বিৰোধী সাংসদসকলক দোষাৰোপ কৰে। ইয়াৰ পাছত শ্ৰী চৌহানে বিকশিত কৃষি সংকল্প অভিযানৰ সুফল সন্দৰ্ভত সদনত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিয়ে। সেই সময়তো হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকা সভাপতিগৰাকীয়ে দিনটোৰ বাবে সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ পাছত তামিলনাডুৰ পৰা ৰাজ্যসভাক প্ৰতিনিধিত্ব কৰি নতুনকৈ নিৰ্বাচিত সাংসদসকলে শপতগ্ৰহণ কৰে। শপতগ্ৰহণ অনুষ্ঠানৰ পাছত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনকে ধৰি ভিন ভিন বিষয়ক লৈ কেইবাটাও ৰাজনৈতিক দলৰ পৰা ২৮ খন সভা স্থগিতৰ জাননী লাভ কৰা বুলি উল্লেখ কৰি এই জাননীসমূহ খাৰিজ কৰে। তেওঁ সকলোকে শান্তি শৃংখলা ৰক্ষা কৰিবলৈ আহ্বান জনোৱা অৱস্থাতে বিৰোধীপক্ষৰ সাংসদসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত শ্লোগান দিবলৈ আৰম্ভ কৰাত হুলস্থূলীয়া পৰিস্থিতিৰ মাজত দিনৰ ১২ বজালৈ সদন স্থগিত ৰখা হয়।

০০০০০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু ন্যায় মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰি ৰাজ্যসভাৰ সচিব প্ৰধানক আসন্ন উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ৰিটাৰ্নিং বিষয়া হিচাপে নিযুক্তি দিছে। একেদৰে ৰাজ্যসভা সচিবালয়ৰ যুটীয়া সচিবৰ লগতে সঞ্চালকগৰাকীক এই নিৰ্বাচনৰ সহকাৰী ৰিটাৰ্নিং বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। নিৰ্বাচন আয়োগে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত দেশৰ পৰৱৰ্তী উপ-ৰাষ্ট্ৰপতিগৰাকীক দায়িত্ব অৰ্পণৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত আজি মালদ্বীপৰ ৰাজধানী মালেত উপস্থিত হয়। মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে ভেলেনা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়। ২০২৩ চনৰ নৱেম্বৰত ড০ মহম্মদ মুইজ্জুৱে ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণৰ পাছত এয়া হৈছে শ্ৰী মোদীৰ প্ৰথম আৰু সামগ্ৰিকভাৱে তৃতীয়টো মালদ্বীপ ভ্ৰমণ।

প্ৰধানমন্ত্ৰী মোদী আজি ৰাষ্ট্ৰপতি মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন বিষয়ত আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই ব্যাপক অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্বৰ ক্ষেত্ৰত ভাৰত-মালদ্বীপৰ যুটীয়া দৃষ্টিভংগী ৰূপায়ণৰ অগ্ৰগতিৰ বুজ ল'ব। ২০২৪ চনৰ অক্টোবৰত ৰাষ্ট্ৰপতি মুইজ্জুৰ ভাৰত ভ্ৰমণৰ সময়ত এই অংশীদাৰিত্বৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

শ্ৰী মোদীয়ে কাইলৈ মালদ্বীপৰ স্বাধীনতাৰ ৬০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু **মহাসাগৰ** দৃষ্টিভংগীৰ গুৰুত্ব অনুধাৱন কৰি চুবুৰীয়া দেশ মালদ্বীপৰ সৈতে ভাৰতৰ সম্পৰ্কক প্ৰতিফলিত কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে নিষিদ্ধ প্ৰচাৰ কাৰ্যৰ সৈতে জড়িত বুলি চিনাক্ত কৰা ২৫ টা ৱেবছাইটক ভাৰতত ৰাজহুৱা যোগাযোগ ব্যৱস্থাৰ পৰা নিলগাই ৰাখিবলৈ ইণ্টাৰনেট সেৱা আগবঢ়োৱা সংস্থাসমূহক নিৰ্দেশ দিছে। এনে ৱেবছাইটসমূহক ২০০০ চনৰ তথ্য প্ৰযুক্তি আইন, ২০২৩ চনৰ ন্যায় সংহিতা আৰু ১৯৮৬ চনৰ মহিলাৰ অশালীন উপস্থাপন (প্ৰতিৰোধ) আইনৰ বিভিন্ন ধাৰা উলংঘন কৰা বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে চিনাক্ত কৰিছে।

০০০০০০০০০

ৰাজস্থানৰ ঝালাৱৰ জিলাৰ মনোহৰ থানা বিধানসভা সমষ্টিৰ অন্তৰ্গত পিপল'ডি গাঁৱৰ এখন চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ চাদ খহি পৰাৰ ফলত ৫ জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ২০ জনৰো অধিক আহত হয়। এই দুৰ্ঘটনাৰ পাছতে গাঁওবাসীয়ে তাৎক্ষণিকভাৱে উদ্ধাৰ অভিযান চলাই আৰু আঘাতপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক চিকিৎসালয়ত ভৰ্তি কৰায়। ঝালাৱৰৰ আৰক্ষী অধীক্ষক অমিত কুমাৰে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে দুৰ্ঘটনাত গুৰুতৰভাৱে আহত ১০ জনক ঝালাৱৰ চিকিৎসা মহাবিদ্যালয়লৈ

প্ৰেৰণ কৰা হৈছে। তেওঁ আহত ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ শিক্ষা মন্ত্ৰী মদন দিলৱাৰে এই দুৰ্ঘটনা অতি দুখজনক বুলি প্ৰকাশ কৰি দুৰ্ঘটনাৰ এটা উচ্চ পৰ্যায়ৰ তদন্ত কৰা হ'ব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে দুৰ্ভগীয়া ছাত্ৰ-ছাত্ৰী কেইজনৰ পৰিয়াললৈ  সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰ আশুআৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক অতি দুখজনক বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে সংশ্লিষ্ট কৰ্তৃপক্ষই ক্ষতিগ্ৰস্তসকলৰ প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিছে।

ooooooooo

ভাৰতৰ বন্দৰসমূহৰ পৰা জাহাজৰ এটা যাত্ৰা সম্পূৰ্ণ কৰি আন এটা যাত্ৰাৰ বাবে প্ৰস্তুতি চলোৱাৰ সময় পূৰ্বৰ তুলনাত যথেষ্ট উন্নত হৈছে আৰু বৰ্তমান এই সময় চাৰি দিনৰ পৰা এদিনলৈ হ্ৰাস পাইছে। ২০২৫ বৰ্ষৰ সামুদ্ৰিক বিত্তীয় সন্মিলনত ভাষণ দি আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ মুখ্য বন্দৰসমূহত কণ্টেইনাৰৰ ক্ষমতা ৭০ শতাংশলৈ বৃদ্ধি পাইছে আৰু উপকূল তথা আভ্যন্তৰীণ জলপথেৰে সামগ্ৰীৰ পৰিবহনো যথেষ্ট পৰিমানে বৃদ্ধি পাইছে।

ooooooooo

এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী ক্ৰিকেট টেষ্টৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থখন খেলত ইংলেণ্ডে কালি প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২২৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। কালি দিনান্তত অলি পোপে ২০ আৰু জো ৰুটে ১১ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ইংলেণ্ড ভাৰতৰ প্ৰথম ইনিংছতকৈ ১৩৩ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি ৩৫৮ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে চাৰি উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ২৬৪ ৰানৰ পৰা খেল আৰম্ভ কৰি কালি মাত্ৰ ৯৪ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। ছাই সুদৰ্শন ৬১, ছাৰ্দুল ঠাকুৰে ৪১ আৰু ৰবীন্দ্ৰ জাডেজাই ২০ ৰান কৰি আউট হয়। প্ৰথমদিনা আঘাতপ্ৰাপ্ত হৈ  খেলপথাৰ ত্যাগ কৰিবলগীয়া হোৱা ভাৰতৰ উপ-অধিনায়ক ঋষভ পণ্ট বেটিং কৰিবলৈ আহে আৰু ভাৰতৰ ৰান সংখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। পণ্ট ৫৪ ৰানত আউট হয়। ইংলেণ্ডৰ হৈ বেন ষ্ট'কছে ৫টা আৰু জ'ফ্ৰা আৰ্চাৰে ৩ টা উইকেট লাভ কৰে।

ooooooooo

***সমাপ্ত***